# 2021

( Held in 2022 )

## ASSAMESE

( Elective )

Paper : 5.1

( Non-CBCS )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) সহজযান পন্থাত মুঠতে কিমানগৰাকী সিদ্ধাচাৰ্য আছিল বুলি প্ৰসিদ্ধি আছে?

(খ) পুত্ৰ উপজা উপলক্ষে নন্দই ব্ৰাহ্মণক কিমান সংখ্যক ধেনু (গাই গৰু) দান দিছে?

(গ) 'ঘুনুচা-কীৰ্ত্তন'ৰ ৰচক কোন?

(ঘ) কবি জীৱনৰ প্ৰথম ভাগত ৰামসৰস্বতীয়ে কোনগৰাকী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

(ঙ) পীতাম্বৰ কোন যুগৰ কবি ?

(চ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কবিতাটিৰ আধাৰ-গ্ৰন্থখনৰ নাম কি ?

(ছ) ৰঘুনাথ চৌধাৰী ৰচিত কথা-কবিতাৰ পুথিখনৰ নাম কি ?

(জ) অসমীয়া সাহিত্যত 'বনফুলৰ কবি' ৰূপে কোনগৰাকী কবি প্ৰসিদ্ধ ?

(ঝ) নৱকান্ত বৰুৱাৰ প্ৰথম প্ৰকাশিত কবিতাপুথিখনৰ নাম কি ?

(ঞ) নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) 'লুইপাদ' নামটোৰ ব্যুৎপত্তি কেনেদৰে হৈছে, দেখুৱাই দিয়া।

(খ) কবি পীতাম্বৰ ৰচিত পাঁচালী কাব্য দুখনৰ নাম লিখা।

(গ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' শীৰ্ষক কবিতাটোত কোনে, কাৰ আগত ৰংপুৰ নগৰৰ বৰ্ণনা দাঙি ধৰিছে ?

(ঘ) মানুহৰ বাসনাৰ সমাধি-শয়ন হ'লে কি কি নাথাকিব বুলি কবি নলিনীবালা দেৱীয়ে উল্লেখ কৰিছে ?

(ঙ) অসমীয়া কাব্যজগতত 'দোমোজাৰ কবি' ৰূপে কোন প্ৰসিদ্ধ আৰু তেওঁৰ প্ৰকাশিত কবিতাপুথিখনৰ নাম কি ?





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) 'নন্দোৎসৱ' কবিতাটোত উল্লেখ থকা মতে পুত্ৰ উপজাৰ পাছত নন্দই কি কি কাৰ্য সম্পাদন কৰিছে, বৰ্ণনা কৰা।

(খ)
"চিত্ৰলেখা বোলে দেৱদেৱ মহেশ্বৰ।
অৱধান কৰ গোসাঁই মাগো এক বৰ॥
স্বৰ্গ মঞ্চ পাতালে যতেক আছে প্ৰাণী।
হেন বৰ দেহ চিত্ৰ লেখিবাক জানি॥"

চিত্ৰলেখাই কি পৰিস্থিতিত মহেশ্বৰৰ ওচৰত বৰ ভিক্ষা কৰিবলগীয়া হৈছিল, বৰ্ণনা কৰা।

(গ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কবিতাটোত ৰংপুৰ নামটো সৃষ্টি হোৱাৰ কাৰণ কবিয়ে কি বুলি উল্লেখ কৰিছে, ব্যাখ্যা কৰা।

(ঘ) 'পৰম তৃষ্ণা' কবিতাটোত কবিয়ে কি তৃষ্ণাৰ কথা ক'ব বিচাৰিছে, আলোচনা কৰা।

(ঙ) কবি দেৱকান্ত বৰুৱাই 'আমি দুৱাৰ মুকলি কৰো' কবিতাটোত কিহৰ দুৱাৰ মুকলি কৰাৰ ইংগিত দিছে, বুজাই লিখা।

৪। (ক) অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'চৰ্যাপদ'ৰ স্থান নিৰূপণ কৰি লুইপাদ ৰচিত ১নং চৰ্যাপদটোৰ অন্তৰ্নিহিত ভাব তোমাৰ ভাষাৰে বুজাই লিখা। ৩+৭=১০

*অথবা*

(খ) শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' কবিতাটোত শ্ৰীকৃষ্ণই মাতৃ যশোদাৰ আগত কাণখোৱাৰ প্ৰতি কেনেদৰে ভয় ব্যক্ত কৰিছে, বহলাই লিখা। ১০

৫। (ক) ধৃতৰাষ্ট্ৰ আৰু বিদুৰ চৰিত্ৰ দুটাৰ চমু পৰিচয় দাঙি ধৰি ধৃতৰাষ্ট্ৰৰ প্ৰতি বিদুৰে কি পৰামৰ্শ আগবঢ়াইছে, বুজাই লিখা। ৪+৬=১০

*অথবা*

(খ) সখীয়েক ঊষাই সপোনত দেখা স্বামীক চিনাক্ত কৰিবলৈ চিত্ৰলেখাই কাৰ কাৰ ছবি অংকন কৰিছে, বৰ্ণনা কৰা। ১০

৬। (ক) ৰোমাণ্টিক কবিতাৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰি ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' (প্ৰথম তৰংগ) কবিতাটোত ইয়াৰ কোনবোৰ বৈশিষ্ট্য প্ৰতিফলিত হৈছে, আলোচনা কৰা। ৪+৬=১০

*অথবা*

(খ) 'সোণোৱালী দেশ' কবিতাটোৰ অন্তৰ্নিহিত ভাব বিশ্লেষণ কৰা। ১০

৭। (ক) সাম্প্ৰতিক কবিতা বুলিলে কি বুজা? নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটোক সাম্প্ৰতিক কবিতা হিচাপে বিবেচনা কৰিব পাৰিনে, আলোচনা কৰা। ৪+৬=১০

*অথবা*

(খ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ মাজেৰে ইতিহাস-চেতনা কেনেদৰে প্ৰকাশ পাইছে, ফঁহিয়াই দেখুওৱা। ১০

★★★